# 2017

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক কোনে 'আৰ্য' নামেৰে নামকৰণ কৰিছিল?

(খ) কোনগৰাকী ভাষাবিদৰ মতে ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ আদিম বাসস্থান আছিল হিন্দুকুশ পৰ্বতৰ পশ্চিমৰ নামনি অঞ্চল?

(গ) ভাৰতীয় আৰু ইৰানীয় শাখাৰ মধ্যৱৰ্তী শাখাটোৰ নাম কি?

(ঘ) পালি ভাষাৰ বিকাশৰ কোনটো স্তৰক ত্ৰিপিটক সাহিত্যৰ যুগ হিচাপে অভিহিত কৰা হয়?

(ঙ) অসমীয়া ভাষা পৃথিৱীৰ কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(চ) কণক লাল বৰুৱাই অসমীয়া ভাষাৰ উৎপত্তি কোনবিধ প্ৰাকৃতৰ পৰা হোৱা বুলি মন্তব্য কৰিছে?

(ছ) *A Study on Kamrupi : A Dialect of Assamese* শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) এছ. কোলিয়ে ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক কোন দুটা বৰ্গত বিভক্ত কৰিছিল?

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(গ) অসমৰ চুবুৰীয়া ৰাজ্যকেইখনত প্ৰচলিত আৰ্য-ভিন্ন ভাষা-পৰিয়ালৰ দুটা ভাষাৰ নাম লিখা।

(ঘ) ড০ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাক কোন দুটা প্ৰধান উপভাষা অঞ্চলত ভাগ কৰিছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ পাঁচটা ভাষাতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা।

(খ) পালি ভাষা ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰৰ অন্তৰ্গত? 'পালি' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) 'বৌদ্ধ-সংস্কৃত' ভাষা বুলিলে কি বুজা? এই ভাষাত ৰচিত 'অৱদান সাহিত্য'ৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা।





(ঘ) কামৰূপী উপভাষাৰ আঞ্চলিক বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঙ) উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ শ্ৰেণীবিভাজন কৰি যি কোনো এটা বৰ্গৰ অন্তৰ্গত ভাষাসমূহৰ বিষয়ে এক পৰিচয়মূলক টোকা যুগুত কৰা। ২+৮=১০

*অথবা*

(খ) আৰ্য শাখা বুলিলে কি বুজা? এই শাখাৰ অন্তৰ্গত ভাষাসমূহৰ বিষয়ে এক সামগ্ৰিক বিশ্লেষণ আগবঢ়োৱা। ২+৮=১০

৫। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় প্ৰধান মতকেইটা চমুকৈ উল্লেখ কৰি তোমাৰ মতামত ব্যক্ত কৰা। ১০

*অথবা*

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰকেইটা কালানুক্ৰমিকভাৱে উল্লেখ কৰি অসমীয়া ভাষাৰ উদ্ভৱৰ সময় আৰু প্ৰক্ৰিয়া বিশ্লেষণ কৰি দেখুওৱা। ৫+৫=১০

৬। (ক) মান্য অসমীয়া ভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) কি কি উৎসৰ পৰা আহি অসমীয়া শব্দভাণ্ডাৰ সমৃদ্ধ হৈছে, উদাহৰণসহ বৰ্ণনা কৰা।

★★★